৪ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক উপভাষাৰ অন্তৰ্গত আন এটি ৰূপ হৈছে জাতিগত উপভাষা। সমাজত বিভিন্ন ব্যক্তিৰে গঢ় লোৱা বিভিন্ন দল বা ফৈদ থাকে। এই দল বা ফৈদসমূহ জাতি অনুযায়ী বিভিন্ন সামাজিক শ্ৰেণীত বিভক্ত কৰিব পাৰি। জাতি প্ৰথাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সামাজিক শ্ৰেণীয়ে হৈছে একো একোটা জাতিগোষ্ঠী। যেতিয়া সেই জাতিগোষ্ঠীক কেন্দ্ৰ কৰি ভাষাগত বিভিন্নতা সৃষ্টি হয়, তেতিয়া তাক জাতিগত উপভাষা বোলা হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যক্তি ভাষাসমূহৰ মাজত থকা মিল বা দুজন ব্যক্তিৰ কথোপকথনৰ বোধেই হৈছে পাৰস্পৰিক বোধগম্যতা (Mutual Intelligibility)। পাৰস্পৰিক বোধগম্যতা প্ৰকৃততে ব্যক্তি ভাষাৰ লগত সম্পৰ্কিত।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ উপভাষা এটাৰ মান্যতা প্ৰাপ্তি কাৰ্য-প্ৰক্ৰিয়াত নিহিত হৈ থকা স্তৰকেইটা হৈছে— নিৰ্বাচন (Selection), মানভুক্তকৰণ (Codification), কাৰ্যকৰণ (Function) আৰু গ্ৰহণযোগ্যতা Acceptance)।



১৪.১২ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) ভাষা আৰু উপভাষাৰ সম্পৰ্ক কি?

খ) উপভাষা কি?

গ) মান্য ভাষা বা সাধু ভাষা কি?

প্ৰশ্ন ২ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) ব্যক্তি ভাষা সদায়েই মাতৃভাষাই হ'ব লাগিব।

খ) শ্ৰেণীগত উপভাষা সুনিৰ্দিষ্ট নহয়।

চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উপভাষা এটা মান্য ভাষা হ'ব পাৰেনে? যদি পাৰে কি কি প্ৰক্ৰিয়াৰে হ'ব পাৰে?

প্ৰশ্ন ২ ঃ পৰিস্থিতি নিৰ্ধাৰক ভাষা কি? চমুকৈ আলোচনা কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাষাগত বিভিন্নতাক প্ৰধানতঃ কেইটা ভাগত ভাগ কৰিব পাৰি? বহলাই আলোচনা কৰক।